# ৰক্তদান মহাদান

— কামাখ্যা দাস
স্নাতক পঞ্চম ষাণ্মাসিক

আবহমান কালৰ পৰাই সামাজিক অধিকাৰ আৰু কৰ্তব্যৰ আহ্বান হৈছে— মৈত্ৰী, সহযোগিতা আৰু পৰহিত অথবা মানৱ কল্যাণ। সাম্প্ৰতিক কালত তাৰেই এক বাস্তৱ নিদৰ্শন হ'ল— ৰক্তদান। সমাজত মানৱৰ হিত কিম্বা জনসেৱাৰ যিমানবোৰ দৃষ্টান্ত আছে, তাৰ ভিতৰত ৰক্তদানেই শ্ৰেষ্ঠ জনসেৱা বুলি নিশ্চয় দাবী কৰিব পাৰি।

এটা মানৱ দেহৰ পৰা আন এটা মানৱ দেহলৈ ৰক্ত সঞ্চালনৰ প্ৰয়োজন আৰু পদ্ধতি বহু আগৰ পৰাই চিকিৎসা বিজ্ঞানত অনুভূত হৈছিল। এই বিষয়ে ক্ৰমাম্বয়ে অনুশীলন আৰু পৰীক্ষা-নীৰিক্ষাৰ পিছত চিকিৎসা বিজ্ঞানীসৱে কেইটামান স্থিৰ সিদ্ধান্তত উপনীত হৈছে আৰু প্ৰয়োগ পদ্ধতিও আবিষ্কাৰ কৰিছে। সিদ্ধান্তসমূহ হ'ল— মানৱ দেহৰ ৰক্ত অন্য মানৱ দেহৰ ৰক্তলৈ সহজেই সঞ্চাৰিত কৰিব নোৱাৰি। অৰ্থাৎ প্ৰথমতে তেজৰ 'গ্ৰুপ' মিলাই ল'ব লাগে। ভিয়েনাৰ প্ৰখ্যাত চিকিৎসক লেণ্ড ষ্টিনাৰে গৱেষণা কৰি ঘোষণা কৰিছে যে মানুহৰ তেজ চাৰিটা গ্ৰুপত ভাগ কৰা যায় A, B, AB আৰু O। চিকিৎসাধীন ব্যক্তিৰ তেজ যিটো গ্ৰুপৰ হয়, কেৱল সেই গ্ৰুপৰ সুস্থ মানুহৰ তেজহে ৰোগীৰ শৰীৰলৈ সঞ্চাৰিত কৰা প্ৰয়োজন। ভিন্ন গ্ৰুপৰ তেজ সঞ্চাৰিত কৰিলে ফল বিষময় হ'ব পাৰে। অৱশ্যে ৰক্তদানৰ আগতে 'Rh' গ্ৰুপো পৰীক্ষা কৰি লোৱা হয়। এজন মানুহে ৰক্তদান কৰা মানে আন এজনৰ প্ৰাণ ৰক্ষা কৰা। উপযুক্ত বয়সত কোনো সুস্থ ব্যক্তিৰ শৰীৰৰ পৰা এবাৰত ২৫০ C.C. উলিয়ালে শৰীৰৰ কোনো ক্ষতি নহয়। সেইখিনি সাধাৰণতে সাত দিনৰ ভিতৰতে পূৰ হয়। এই ৰক্ত সংৰক্ষণৰ নিৰ্দিষ্ট ব্যৱস্থাও আছে। তাপমাত্ৰা আৰু অন্যান্য পৰিপাৰ্শ্বিকতা ভেদে সাধাৰণতে ১৯ দিনৰ পৰা তিনি মাহলৈ ৰক্ত ব্যৱহাৰ যোগ্য হৈ থাকে। সমাজৰ মানুহে যাতে ৰক্তদান কৰিবলৈ অনুপ্ৰাণিত হয়, তাৰ বাবে চৰকাৰীভাৱে ঠায়ে ঠায়ে বিজ্ঞাপন, আলোচনাচক্ৰ আনকি 'স্লাইড' প্ৰদৰ্শন আদিৰো ব্যৱস্থা কৰা হয়। তদুপৰি ৰক্তদানকাৰীক সামান্য অৰ্থ প্ৰদানৰ ব্যৱস্থাও আছে।

ক্ষুধাৰ্তক অন্নদান, তৃষ্ণাৰ্তক জলদান পৰম ধৰ্ম বুলি যদি আমি বিশ্বাস কৰোঁ, তেনেহ'লে মুমূৰ্ষক প্ৰাণদান কৰাটো আটাইতকৈ ডাঙৰ ধৰ্ম বুলি মানিবই লাগিব। ইয়াৰ উপৰিও সমাজতত্বৰ ফালৰ পৰা বিচাৰ কৰিলেও বুজিব পৰা যায় যে আজি যিজনে ৰক্তদান কৰিছে, ভৱিষ্যতে হয়তো তেৱেঁই এদিন আইন এজনৰ ৰক্ত ল'বলগীয়া হ'ব পাৰে।

(বিভিন্ন পাঠ্যপুথিৰ সহায় লৈ)

❖❖❖





# এক অনন্য প্ৰতিভাৰ অধিকাৰী 'ষ্টিফেন হকিং'

—জুলি বাংথৈ
স্নাতক প্ৰথম ষাণ্মাসিক

এক অনন্য প্ৰতিভাৰ অধিকাৰী 'ষ্টিফেন হকিং' (1942)। "Gentleman to you the first hounours always." ষ্টিফেন হকিং আধুনিক বিজ্ঞান জগতৰ এটি বিৰল প্ৰতিভা। বিজ্ঞানীসকল স্বভাৱতে একোজন নীৰৱ সাধক। জনসমাজৰ প্ৰতি তেওঁলোকে কোনো ভ্ৰুক্ষেপ নকৰে। এইজন 'ষ্টিফেন হকিং'ৰ স্থান গেলিলিঅ', নিউটন, আইনষ্টাইন আদিৰ দৰে বিখ্যাত, চিৰবৰণ্যে পদাৰ্থবিদসকলৰ শাৰীত। দৈহিকভাৱে হকিং এজন শীৰ্ণকায় পংগু মানুহ। তেওঁ থিয় হ'ব নোৱাৰে, ভালকৈ কথা কব নোৱাৰে, লিখিব নোৱাৰে, শৰীৰৰ অংগ প্ৰত্যংগৰ ওপৰত তেওঁৰ নিয়ন্ত্ৰণ দুৰ্বল। কিন্তু একমাত্ৰ মনৰ জোৰত, একানপতীয়া সাধনাৰ বলত, আধুনিক পদাৰ্থ বিজ্ঞানলৈ তেওঁ আগবঢ়াইছে অবিস্মৰণীয় অৱদান। পৃথিৱীৰ অন্যতম শ্ৰেষ্ঠ কোৱাণ্টাম বিশ্ব তত্ত্ববিদ (Quantum Casmologist) বুলি তেওঁ সম্প্ৰতি সুধি সমাজত স্বীকৃত। ষ্টিফেন উইলিয়াম হকিঙৰ জন্ম হয় অক্সফোৰ্ডত ১৯৪২ চনৰ ৮ জানুৱাৰীৰ দিনা; নিউটনৰ জন্মৰ ঠিক তিনিশ বছৰৰ পিছত। তেওঁৰ দেউতাক আছিল ইংলেণ্ডৰ 'নেচনেল ইনষ্টিটিউট অৱ মেডিকেল ৰিচাৰ্ছৰ জীৱ-বিজ্ঞানৰ এগৰাকী গৱেষক। পৈতৃক উত্তৰাধিকাৰী স্বৰূপে সৰুৰে পৰা বিজ্ঞানলৈ হকিঙৰ ধাউতি আছিল। কিন্তু তেওঁ জীৱ বিজ্ঞানৰ পৰিৱৰ্তে, বিশ্লেষণাত্মক মনে তেওঁক আকৃষ্ট কৰিছিল গণিতীয় বিজ্ঞানৰ প্ৰতিহে। চৈধ্য বছৰ বয়সৰ আগলৈ হয় গণিতজ্ঞ নহয় পদাৰ্থ বিজ্ঞানী হ'ম বুলি তেওঁ মন স্থিৰ কৰি পেলাইছিল।

স্কুলত পঢ়ি থকা কালত হকিঙৰ মন কিছু কালৰ বাবে পৰমাণুবিদ্যা (Parapsychology) নামৰ এটা বিষয়ৰ ফালে ঢাল খাইছিল। কিন্তু অতি সোনকালেই ই এটা ভ্ৰান্তিকৰ বিষয় বুলি সিদ্ধান্তলৈ আহে আৰু গণিতীয় বিজ্ঞানৰ অধ্যয়নত মনপুতি লাগে। হকিং এজন তীক্ষ্ণ বুদ্ধিৰ ছাত্ৰ আছিল। ১৯৫৯ চনত চেইণ্ট আলবান্স স্কুল নামৰ এখন হাইস্কুলৰ পৰা শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হয় আৰু অক্সফৰ্ড বিশ্ববিদ্যালয়ত নাম লগায়। অক্সফৰ্ডত হকিং আছিল সকলোৰে প্ৰিয় ছাত্ৰ। পদাৰ্থ বিজ্ঞানত তেওঁ দক্ষতা দেখুৱাইছিল, কিন্তু আৰম্ভণিতে তেওঁ ইয়াৰ অধ্যয়নত ব্যয় বহণ কৰাত অসুবিধা হ'ব বুলি ভাবি তেওঁ এবাৰ পুৰণি স্মৃতিচিহ্ন সংৰক্ষণ বিষয়ৰ এটা চাকৰিৰ বাবেও আবেদন কৰিছিল। কিন্তু বিজ্ঞান জগতৰ সৌভাগ্য নিজৰ আপোন ভোলা স্বভাৱৰ বাবে তেওঁ ইণ্টাৰভিউ দিবলৈ পাহৰিলে। বিজ্ঞানৰ ক্ষেত্ৰত কেম্ব্ৰিজ বিশ্ববিদ্যালয় যে অক্সফৰ্ডতকৈ আগবঢ়া সেই কথা সকলোৰে জানে। হকিঙৰো ইচ্ছা আছিল স্নাতকোত্তৰ অধ্যয়ন কেম্ব্ৰিজত কৰাৰ। কিন্তু স্নাতক পৰীক্ষাত প্ৰথম শ্ৰেণী নাপালে তাত পঢ়িবৰ বাবে বৃত্তি পোৱাটো অসম্ভৱ। গতিকে স্নাতক উপাধিৰ বাবে লিখিত পৰীক্ষা দি উঠাৰ পিছত যেতিয়া মৌখিক পৰীক্ষা আৰম্ভ হ'ল, তেতিয়া হকিঙে অক্সফৰ্ডৰ পৰীক্ষকসকলক খোলা-খুলিভাৱে ক'লে, "যদি পৰীক্ষাত প্ৰথম শ্ৰেণী পাওঁ তেন্তে কেম্ব্ৰিজত পঢ়িমগৈ, যদি দ্বিতীয় শ্ৰেণী পাওঁ তেন্তে

অক্সফ'ৰ্ডতে পঢ়িব লাগিব। মই ভাবো, আপোনালোকে মোক এটা প্ৰথম শ্ৰেণী দিব।"

হকিঙৰ এনে উক্তিত পৰীক্ষকসকলে কি ভাবিলে জনা নাযায় কিন্তু হকিঙে প্ৰথম শ্ৰেণী পালে আৰু পৰিকল্পনা কৰা মতে কেম্ব্ৰিজ বিশ্ববিদ্যালয়ত নাম লগালেগৈ। কিন্তু ইতিমধ্যেই হকিঙৰ জীৱনলৈ নামি আহিছিল দুৰ্ভাগ্য। স্কুলীয়া কালত তেওঁৰ শৰীৰত স্নায়বিক দুৰ্বলতাই দেখা দিছিল আৰু অক্সফ'ৰ্ডত পঢ়া কালত এই দুৰ্বলতা ক্ৰমে বাঢ়ি আহিছিল। তেওঁ জোতাৰ ফিজ বান্ধিব নোৱাৰিছিল আৰু তেওঁ কথাত সামান্য লেবাইছিল। ডাক্তৰী পৰীক্ষা কৰোৱাত বেমাৰটো ধৰা পৰিছিল। চিকিৎসকসকলে ক'লে; বেমাৰটো নাম হ'ল "amyotrophic laeral selors" এই বেমাৰটো স্নায়ুকোষ বিলাক (Nerve cells) ক্ৰমাৎ ভাঙি যায়, শৰীৰৰ অংগ প্ৰত্যংগবোৰ পৰিচালনাত ৰোগী লাহে লাহে অক্ষম হৈ পৰে আৰু এটা সময়ত ৰোগীৰ মৃত্যু হয়। আমেৰিকাৰ বিখ্যাত অভিনেতা ডেভিদ নিভেনৰ এই বেমাৰত মৃত্যু হৈছিল।

হকিঙে তেওঁৰ বেমাৰৰ ভয়াবহতাৰ কথা যেতিয়া গম পালে তেতিয়া তেওঁ অত্যন্ত হতাশ হৈ পৰিল। পঢ়া শুনা এৰি পেলালে। কেৱল ধ্ৰুপদী সংগীত শুনাত তেওঁ সময় কটাইছিল। দুবছৰমানৰ পিছত তেওঁৰ শৰীৰৰ দ্ৰুত অৱনতি বন্ধ হ'ল। তদুপৰি বেমাৰটোৱে মগজুৰ কোষবোৰক আক্ৰমণ নকৰে। শৰীৰ আৰু মনৰ নৈৰাশ্যজনক পৰিস্থিতিত জে'ন ৱাইল্ড নামৰ ভাষা তত্বৰ এগৰাকী ছাত্ৰীৰ সৈতে তেওঁ পৰিচয় হয়। ১৯৬৫ চনত দুয়োৰে বিবাহ হয়। তেওঁ পত্নীৰ উৎসাহত পুনৰ জীয়াই থকাৰ প্ৰেৰণা পালে, বিজ্ঞানিৰ গৱেষণাত পুনৰ আত্মনিয়োগ কৰাৰ বাসনা তেওঁৰ মনত জন্মিল। হকিঙৰ বৈজ্ঞানিক সাফল্যত তেওঁৰ পত্নীৰ অৰিহণা অসমান্য। পত্নীয়ে তেওঁৰ সকলো ধৰণৰ যতন লৈছিল আৰু তেওঁক কেতিয়াও বেমাৰী বুলি ভাবিবলৈ সুযোগ দিয়া নাছিল। পৰিতাপৰ কথা, দুয়ো সম্প্ৰতি বেলেগে থাকিবলৈ লৈছে। বিয়াৰ বছৰতে পত্নীয়ে টাইপ কৰি দিয়া গৱেষণা গ্ৰন্থখন হকিঙে কেম্ব্ৰিজ বিশ্ববিদ্যালয়ত দাখিল কৰে আৰু ডক্টৰেট উপাধি লয়। কিন্তু সত্তৰৰ দশকত তেওঁৰ স্বাস্থ্য পুনৰ পৰি আহে। তেওঁ থিয় হ'ব নোৱাৰা হ'ল, পকোৱা কথা নুফুটা হ'ল আৰু তেতিয়াৰে পৰা হুইল চেয়াৰত তেওঁ স্থায়ীভাৱে জীৱন কটাব লগাত পৰিল।

বিজ্ঞান জগতলৈ হকিঙৰ বৰঙণি কি? একে আষাৰতে ইয়াৰ উত্তৰ দিয়া সম্ভৱ নহয়। থোৰতে ক'ব লাগিলে তেওঁৰ ক্যাদিৰ ভিতিক হ'ল বিশ্বৰ সৃষ্টি কেনেকৈ হৈছিল, সেই সম্পৰ্কে কৰা কেতবোৰ গুৰুত্বপূৰ্ণ গৱেষণা। আমাৰ ভাৰততো এই বিশ্বৰ সৃষ্টি বিষয়ে কৰা চিন্তাৰ প্ৰমাণ আছে। 'নাৰদীয় সুক্ত' নামৰ ঋগ্বেদৰ এটা বিখ্যাতসূত্ৰ এই সৃষ্টিৰ বিষয়ে এই বুলি কোৱা হৈছে—

"তেতিয়া সৎ নাছিল, অসতো নাছিল,
পৃথিৱী নাছিল অতি দূৰলৈ আকাশো নাছিল।
তেতিয়া মৃত্যু নাছিল, অমৰও নাছিল,
দিন-ৰাতিৰ পাৰ্থক্য নাছিল।... সমস্তই আছিল এন্ধাৰ।।"

সম্প্ৰতি জ্যোতিৰ্বিদসকলেও প্ৰমাণ কৰিছে যে বিশ্বত কিছুমান এন্ধাৰ 'গুহা' আছে। সুব্ৰমনিয়ম চন্দ্ৰশেখৰ, ৰবাৰ্ট অ'পেনহেইমৰে আদি জ্যোতিৰ্বিদসকলে ত্ৰিশৰ দশকতে দেখুৱাইছিল যে একোটা তৰাৰ ভৰ যদি সূৰ্যতকৈ প্ৰায় ডেৰগুণ ডাঙৰ হয়, তেন্তে তৰাটোৱে নিজৰ মহাকৰ্ষণৰ হেঁচাত নিজকে সুস্থিৰ কৰি ৰাখিব নোৱাৰাত পৰে, ইয়াৰ বিস্ফাৰণ ঘটে আৰু এটা সময়ত ই 'কৃষ্ণ গহ্বৰ' (Black hole) লৈ ৰূপান্তৰিত হয়। ১৯৬৫-৭০ চনৰ ভিতৰত হকিঙে ৰজাৰ পেনৰ'জ নামৰ এগৰাকী জ্যোতিৰ্বিদৰ সহযোগিতাত 'কৃষ্ণ' গহ্বৰবোৰ অধ্যয়ন কৰি 'অনান্যাভা' (Single lannity) নামৰ এটা ধাৰণাৰ উদ্ভাৱন কৰিছিল। ইয়াৰ ফলত গম পোৱা গ'ল যে সময় অনাদি নহয়। ইয়াৰ এটা আৰম্ভণি আছে, আন ভাষাত বিশ্ব সৃষ্টিৰ এটা নিৰ্দিষ্ট সময় আছে।





ইয়াৰ কিছু বছৰৰ পিছত হকিঙে আন এটা উল্লেখযোগ্য আৱিষ্কাৰ কৰিবলৈ সক্ষম হয়। তেওঁ দেখুৱালে যে কৃষ্ণ গহ্বৰ ভেদ কৰি কেতিয়াবা ফ'টন (Photon) আৰু অনান্য মৌলিক কনা বিকশিত হোৱা সম্ভৱ। বিশ্বৰ উৎস কি, ইয়াৰ অন্তিম অৱস্থা কেনে, হয়তো এনে জাতীয় প্ৰশ্নৰ উত্তৰ বিচৰাত হকিং আশীৰ দশকৰ পৰা ব্যস্ত হৈ আছে। ব্ৰেণ্ড কাটাৰ নামৰ বিজ্ঞানীৰ সহায়ত এই সম্পৰ্কে এটা দাৰ্শনিক ধৰণৰ সূত্ৰও তেওঁ আৱিষ্কাৰ কৰিছে। সূত্ৰটোৰ নাম থোৱা হৈছে— Anthropic principle। হকিঙৰ নিজৰ নিজৰ ভাষাত সূত্ৰটো হ'ল—

We see the unisense the walf it is, because cue eyist.

বিজ্ঞানৰ কাৰিকৰী ভাষাৰ সহায় নোলোৱাকৈ হকিঙৰ অৱদানসমূহ বুজা আৰু বৰ্ণনা দিয়া টান। কিন্তু তেওঁ যে মেলিলত' নিউটন আৰু আইনষ্টাইনৰ সমগোত্ৰীয় এগৰাকী বিজ্ঞানী, এই সত্য বিজ্ঞানীসকলৰ মাজত স্বীকৃত হৈছে। ১৯৮০ চনত কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ 'লুকাচিয়ান প্ৰফেচৰ'ৰ পদ তেওঁলৈ আগবঢ়োৱা হয়। এগৰাকী পদাৰ্থ বিজ্ঞানীলৈ ই এটা ডাঙৰ সন্মান, কাৰণ একালত এই পদৰ অধিকাৰী আছিল স্বয়ং আইজাক নিউটন। বেমাৰে বিকলাংগ কৰি তুলিলেও আধুনিক বিজ্ঞানে হকিঙৰ পংগুত্বৰ ভালেখিনি লাঘৱ কৰিছে। আমেৰিকা কেলিফ'ৰ্ণিয়া বিশ্ব বিদ্যালয়ে দান কৰা কেতবোৰ যন্ত্ৰপাতিৰ সহায়ত তেওঁ লিখিবলৈ আৰু অস্পষ্ট ভাৱে ক'বলৈ সক্ষম। মটৰ চালিত হুইল চেয়াৰত বহি তেওঁ নিজেই এতিয়া অলে-তলে যাব পাৰে। সৰ্বসাধাৰণক বিজ্ঞান বিষয়ত শিক্ষিত কৰাৰ উদ্দেশ্য ১৯৭২ চনত জৰ্জ ইলিচ নামৰ এজন ব্যক্তিৰ সহায়ত তেওঁ লিখি উলিয়াইছিল Large-Scale of space time নামৰ এখন গ্ৰন্থ। ১৯৮৮ চনত প্ৰকাশিত হৈছে তেওঁৰ বিখ্যাত (A Brief History of time) নামৰ পুথিখন। সৌ-সিদিনা তেওঁ ৭০ বছৰত ভৰি দিলে। বয়সেও তেওঁক বাধা দিব পৰা নাই। সৃজনী প্ৰতিভাৰ বয়স তেওঁক বাধা দিব পৰা নাই। সৃজনী প্ৰতিভাৰ বয়স তেওঁৰ ইতিমধ্যেই পাৰ হৈছে বুলি তেওঁ বিনয়েৰে কৈছে যদিও আমি সকলোৱে আশা কঁৰো, ভৱিষ্যত দিনবিলাকত তেওঁ বিজ্ঞানজগতলৈ আৰু অধিক বৰঙণি আগবঢ়াবলৈ সক্ষম হ'ব।

❖❖❖

**মহৎ লোকৰ বাণী**

❖ মৃত্যু এক প্ৰকৃত অতিথি; কোনো জাননী নিদিয়াকৈ আহে, গতিকে এই অতিথিক আদৰিবলৈ সদায়েই প্ৰস্তুত হৈ থাকিব লাগে।

*— আচাৰ্য মহাশ্ৰমণ*

❖ "আমি আমাৰ গোটেইখিনি আজৰি সময় ৰং-ধেমালি কৰি খৰচ কৰা উচিত নহয়। ৰং-ধেমালিক আমি দেহ-মনৰ অৱসাদ দূৰ কৰিবৰ কাৰণে ঔষধ হিচাপেহে ব্যৱহাৰ কৰা উচিত। কেৱল ৰং-ধেমালি কৰিয়েই নিজকে ক্লান্ত কৰাতকৈ ডাঙৰ মূৰ্খামি আন একো নাই। বৰং আচল কামৰ কাৰণে শক্তি পাবলৈহে মানুহে ৰং-ধেমালি কৰা উচিত।"

*—এৰিষ্টটল*

# নাৰীয়ে নাৰীক কিয় তাচ্ছিল্য কৰে

—মণিকা বিশ্বাস
স্নাতক পঞ্চম ষাণ্মাসিক

আমি সকলোৰেই জনা কথা যে "সৃষ্টিৰ মূলতে নাৰী আৰু ধ্বংসৰ মূলতো নাৰী।" আমি নাৰী সকলেই নাৰীক ঠাট্টা-বিদ্ৰূপ, ঈৰ্ষা, হিংসা, উপলুঙা আদি কৰোঁ। বিশেষকৈ চহৰৰ নাৰীবিলাকে (সকলো নাৰীকে কোৱা নাই) গাঁৱৰ নাৰীসকলক অলপ বেলেগ দৃষ্টিভংগীৰে চায়। মই জনা, দেখা আৰু অভিজ্ঞতাৰ পৰা কৈছো, চহৰৰ নাৰীবিলাকে গাঁৱৰ নাৰীৰ মাজত প্ৰভেদ আনে, তাচ্ছিল্য কৰে।

গাঁৱৰ নাৰী এগৰাকীয়ে এটা পৰিপূৰ্ণ মন লৈ এখন ঘৰত পদাৰ্পণ কৰে। তাত মানে সেইখন ঘৰত যদি এগৰাকী চহৰৰ নাৰী বিয়া হৈ আছে, দেখিব বা দেখা যায় চহৰৰ গৰাকীয়ে অলপ হ'লেও নিজকে ওপৰত থ'ব বিচাৰে। গাঁৱৰ নাৰীগৰাকীয়ে শহুৰৰ পৰিয়ালক আপোন কৰি লৈ এখন সুন্দৰ ঘৰৰ বাতাবৰণ আনি দিয়ে লগতে ঘৰৰ প্ৰতিজন সদস্যকে আন্তৰিকতাৰে আপোন কৰি লয়, কিন্তু চহৰৰ গৰাকীয়ে শাহু-শহুৰ আদিক অযথা জঞ্জাল বুলি অকলে থকাৰ পৰিকল্পনা কৰি ঘৰ এখনত অশান্তিৰ সৃষ্টি কৰে। যদি এখন ঘৰত এজনী গাঁৱৰ আৰু এজনী চহৰৰ নাৰী থাকে, তেন্তে দেখা যায় যে চহৰৰ গৰাকীয়ে কাম কৰিব জানিলেও নজনাৰ ভাও ধৰে। শহুৰৰ ঘৰৰ মানুহে কিবা কাম যাচিলেও ঘৰত কৰাৰ অভ্যাস নাই বুলি বিভিন্ন ধৰণৰ কথা কৈ গা এৰা দিয়ে। গাঁৱৰ গৰাকীয়ে বেছি কাম কৰা বুলি ক'লেও চহৰৰ গৰাকীয়ে সহানুভূতি দেখুওৱাৰ সলনি তিৰ্য্যক বাণ এপাট মাৰি দিয়ে। 'গাঁৱৰ যে সেই কাৰণে সকলো কাম কৰিব পাৰে আৰু কৰাৰ অভ্যাস আছে।' কিন্তু এইটো কথা ভাবি নাচায় নিজেও এগৰাকী নাৰী হৈ আন এগৰাকী নাৰীৰ অন্তৰত আঘাত লগা কথা কৈছে। গাঁৱৰ নাৰীগৰাকীৰ যি আন্তৰিকাত, সহৃদয়তাৰে সকলোকে আকোৱালি ল'ব পৰা গুণ থাকে, চহৰৰ প্ৰায় সংখ্যক নাৰীৰ ক্ষেত্ৰতে এই গুণ দেখিবলৈ পোৱা নাযায়। চহৰৰ নাৰীয়ে কেৱল নিজৰ খিনিক লৈহে ব্যস্ত হৈ থাকে। শহুৰ-শাহু লগত থাকিলে কাম কৰিব নাজানো বুলি ফিতাহি মৰা নাৰী গৰাকীয়ে কিন্তু নিজৰ ব্যস্ততাৰ লগতে নিজৰ সংসাৰখনৰ সকলো কাম কোনো সহায়কাৰী মানুহ নৰখাকৈ অকলে নিয়াৰিকৈ কৰিব পাৰে। কিন্তু যেতিয়া জা-ননদ, শহুৰ-শাহু থাকিব তেতিয়াহে সমস্যাৰ সূত্ৰপাত ঘটে। মানে গাঁৱৰ গৰাকীয়ে কষ্ট কৰিব পাৰে, গাঁৱত কৰাৰ অভ্যাস আছে ইত্যাদি ইত্যাদি মন্তব্য দিয়ে বা বৰ বৰ কথাৰ ফুলজাৰি মাৰে। এটা কথা আছে যে আগ্ৰহ থাকিলে কোনো কাম ৰৈ নাথাকে। চহৰীয়া লেবেল লগাই ফুৰিলে কোনো মানুহে নাভাবে কোন চহৰীয়া কোন গাঁৱলীয়া।

কেতিয়াবা দেখিবলৈ পাওঁ চহৰৰ পৰা গাঁৱলৈ ফুৰিবলৈ গ'লেও কিছুমান নাৰীয়ে মুখত সোপা, নাকত সোপা দিব, লগতে ল'ৰা-ছোৱালীকো ইফালে নাযাবা লেতেৰা, সিফালে লেতেৰা এনেকুৱা ধৰণৰ কথা কৈ আত্মীয় মানুহ ঘৰকো অশান্তি দিয়ে।

আচলতে এনেকুৱা মনৰ নাৰীবিলাকে এনে ধৰণৰ আচৰণ কৰি নিজকে আধুনিক বুলি জাহিৰ কৰিব বিচাৰে। কিন্তু গাঁৱৰ নাৰীয়ে কি গাঁও কি চহৰ সকলোতে মিলিব পাৰে বা মিলাবলৈ চেষ্টা কৰে।

মানৱ জীৱনত আধুনিকতাৰ প্ৰভাৱ প্ৰয়োজনীয় কিন্তু আধুনিকতাৰ প্ৰভাৱত মানৱীয় প্ৰমূল্যৰ অৱক্ষয় ঘটাব নালাগে। আধুনিকতা মানে অন্ধ অনুকৰণ কৰা নহয়। প্ৰায়ে দেখিবলৈ পোৱা যায় শাহুৱেক গৰাকীয়ে দুগৰাকী বোৱাৰী থাকিলে কিবা কাম বা যিকোনো বিষয়ে সুধিলে বা কৰিব দিলে চহৰৰ গৰাকীয়ে শাহুৱেকক এনেকুৱা ধৰণৰ কথা শুনায় 'মই যেই সেই ঘৰৰ ছোৱালী নহয়' বুলি কয়। মই সংস্কাৰপূৰ্ণ ঘৰ এখনৰ পৰা আহিছোঁ। আমাৰ পৰিয়ালটোক সকলোৱে জানে বা চিনি পায়।" এনে ধৰণৰ কথা কৈ কাজিয়া বা তৰ্কৰ সৃষ্টি কৰি তেওঁলোকৰ 'সংস্কাৰপূৰ্ণ পৰিয়ালটোৰ প্ৰকৃত পৰিচয়টো দিয়ে। এতিয়া কথা হ'ল, যদিহে তেওঁ সংস্কাৰপূৰ্ণ ঘৰ এখনৰ পৰা আহিছে, তেতিয়া হ'লে তেওঁ শাহুৱেকক তেনে ধৰণৰ মন্তব্য নিশ্চয় নিদিব। এটা কথা, শ্লিভলেছ ব্লাউজ পিন্ধি পিঠিখন উলিয়াই কাপোৰ পৰিধান কৰিলেই সংস্কাৰ পূৰ্ণ ঘৰ এখনৰ কথা নুসূচায়। কিন্তু গাঁৱৰ নাৰী বা ছোৱালীজনীয়ে যদি কুৰ্তাটো বা ব্লাউজটো শালীনতা ৰাখি পৰিধান কৰে চহৰৰবিলাকে এটাই মন্তব্য কৰে 'গাৱলীয়া যে'। তেওঁলোকে এনে ঠাট্টা কৰাতকৈ ভালদৰে ক'বওতো পাৰে আপোনাৰ পোছাকযোৰ অলপ দীঘল হৈছে, জোখত চিলাই লব। তেতিয়া নিশ্চয় নাৰীগৰাকী বা ছোৱালীজনীৰ মনটোও ভাল লাগিব আৰু দুয়োগৰাকী নাৰীৰ মাজত আন্তৰিকতাও বাঢ়িব। সেয়েহে আমি সকলো নাৰীয়েই নিজক নিজে শুধৰণি কৰি এখন সুস্থ সমাজ গঢ় দিওঁ আহক। তেতিয়াহে সমাজত হত্যা, ধৰ্ষণ, দুৰ্নীতি আদি লোপ পাব। 'নাৰীয়েই নাৰীৰ শত্ৰু' বুলি এষাৰ কথা আছে।

গতিকে নাৰীয়ে নাৰীক বুজি নাপালে বা ভাল পাব নোৱাৰিলে এখন শৃংখলিত সমাজ কেতিয়াও গঢ়ি উঠিব নোৱাৰে।

❖❖❖

## সাঁথৰ

১। এটা ঘৰ বাৰটা খুটা ৬০ খন বেৰ তিনি জন মানুহ কাম কৰিয়েই থাকে কিন্তু কাম খিনি সমাপ্ত নহয়।
ঃ ঘড়ী

২। ৰাস্তাৰে বহুত সৈন্য কিন্তু সিহঁত গলে ধুলি নুৰে।
ঃ পৰুৱা

৩। আগ জপৌ পৌ গা চন্দন কাঠ।
ঃ তামোল গছ

৪। টিপিলে টিপা যায় দলিয়ালে ভঙা নাযায়?
ঃ ভাত

৫। ৰবীৰ কাহে ওলাই নাহে।
ঃ কুঠাৰ

—শান্তনা বিশ্বাস
স্নাতক প্ৰথম ষাণ্মাসিক

# বিহু ঃ এটি চিন্তা

—মল্লিকা দেৱী
স্নাতক পঞ্চম ষাণ্মাসিক

অসমীয়া মানুহৰ ৰং ৰহইচ, হা-হুমুনিয়াহ, প্ৰেম-পীৰিতি, বিৰহ আদি প্ৰাণ খুলি প্ৰকাশ কৰিবৰ্লৈ কিছুমান সাংস্কৃতিক পৰম্পৰা আছে। এনে সাংস্কৃতিক পৰম্পৰাই অসমীয়া মানুহক আনন্দ-উৎসাহ পুৰণি কালৰ পৰাই দি আহিছে। এই আনন্দ-উৎসাহৰ মধুময় ঝংকাৰ শুনা যায় বছৰেকত তিনিবাৰকৈ। তিনিবাৰকৈ তিনিটা বিহুৱে জাতিটোক প্ৰাণ খুলি হাঁহিবৰ্লৈ দিয়ে জাতীয় উৎসৱ বিহু সংস্কৃতিৰে। এই সংস্কৃতি মূলতঃ কৃষি সংস্কৃতি। আমাৰ ধাননি পথাৰখনেই কৃষি সংস্কৃতিৰ মূল আকৰ্ষণীয় সম্পদ। এই সম্পদভাগ থকালৈকে জাতীয় উৎসৱ তিনিটা চলি থাকিব। এই উপলক্ষত অসমীয়া মানুহে সদায় গাব-নাচিব আৰু আনন্দতে হাঁহিব। কৃষি সংস্কৃতি নোহোৱা হ'লে আমাৰ বিহু সংস্কৃতিও অন্তৰ্দ্ধান হ'ব। বিহুৰ গোলকীকৰণে অসমক বহুত সম্ভাৰ দিব সঁচাই, অসমীয়া জাতিটোৰ পথাৰখনে দিব পৰা গুণবোৰ কিন্তু দিব নোৱাৰে। গতিকে পথাৰখনেহে অসমীয়াক হাঁহি মাতি থাকিবৰ্লৈ প্ৰেৰণা প্ৰদান কৰিব পাৰে, সেই পথাৰখনলৈ আমি পিঠি দিলে নচলিব।

আমাৰ সাংস্কৃতিক আচৰণত পৰিৱেশ সুৰক্ষাৰ সংকল্পত থাকিব লাগিব। তেতিয়াহে সংস্কৃতি ৰক্ষা পৰিব। গৰু বিহুৰ দিনা দীঘলতী, মাখিয়তীৰ পাত পাবৰ্লৈ নাই, নাচনীৰ খোপাত গুজিবৰ্লৈ কপৌফুল নাই, বিহুৰ বিহুৱান আহে চেন্নাইৰ পৰা, উৰুকাৰ ভোজৰ মাছ আহে কানপুৰৰ পৰা বৰফত শুই, মঞ্চৰ বিহুৰ বাবে নিজৰ গাঁঠিৰ ধন ভাঙিবৰ্লৈ আমি সাজু নহওঁ। ব্যৱসায়ী, তীৰৰ বুকী, ইটা-ভাটাৰ মালিকৰ টকাৰেহে আমি বিহু পাতোঁ। বিহুৱা দল আহে ভাড়াত। দুই-তিনি ঘন্টা মঞ্চত বিহুৱা-বিহুৱতীৰ তাল-ফাল। তাৰ পিছত সকলো নিমাত-নিতাল। কিবা প্ৰকাৰে সেই দুই-তিনি ঘন্টা গাঁৱৰ পৰা আঁতৰি থাকিলে উভতি আহি গমেই পোৱা নাযায় যে—"বিহু হৈ গ'ল"!!!

❖❖❖

**মহৎ লোকৰ বাণী**

❖ 'এই সংসাৰত এনে কোটি কোটি মানুহ আছে, যিসকলে ওৰেটি জীৱন সজ-পথত চলি ধৰ্মাচৰণ কৰি পৱিত্ৰ জীৱন-যাপন কৰিও দুখ-দাৰিদ্ৰ, ৰোগ-ব্যাধি, প্ৰিয়জন-বিচ্ছেদ আদিৰ দৰে নানাবিধ যন্ত্ৰণা ভোগ কৰে আৰু ফলত জীৱনটো তেওঁলোকৰ কাৰণে কোনো এক অজানা অপৰাধৰ কাৰণে দুৰ্বহ শাস্তিৰ বোজা স্বৰূপ হৈ পৰে; আনহাতে বহুতো তথাকথিত দুশ্চৰিত্ৰ বা পাপী মানুহৰো এই পাৰ্থিৱ জীৱনতে স্বৰ্গসুখ ভোগ হোৱা দেখা যায়। কিয় এনে হয়?'

—*হোমেন বৰগোহাঞি*





# অসমৰ খাদ্য সমস্যা

—বাসন্তী বিশ্বাস
স্নাতক তৃতীয় ষাণ্মাসিক

অসম একালত প্ৰাকৃতিক বৈভৱেৰে সমৃদ্ধ আছিল। কিন্তু এতিয়া সেই সুজলা-সুফলা শস্য শ্যামলা অসম নাই। অসমৰ অতীত সমৃদ্ধি বহু কাৰণত বিলুপ্তপ্ৰায়। সমস্যা জৰ্জৰিত অসমত এতিয়া খাদ্য সংকটে ভয়াবহ ৰূপ ধাৰণ কৰিছে। তাৰ কাৰণ বিচাৰি আমি বহু দূৰলৈ যাব নালাগে। এয়া মাত্ৰ ১৯৩৯ চনৰ দ্বিতীয় মহাসমৰৰ সময়ৰ কথা। এই মহাসমৰে অসমলৈ এক বিপৰ্যয় মাতি আনিলে। সৈন্যবোৰৰ খাদ্য যোগানৰ বাবে প্ৰচুৰ পৰিমাণৰ শস্য মজুত কৰি ৰাখিব লগা হ'ল। সৰ্বসাধাৰণৰ বাবে আৱশ্যকীয় প্ৰচুৰ পৰিমাণৰ খাদ্য-বস্তু, শস্য, সামৰিক বিভাগৰ ভঁৰাললৈ গ'ল। ফলত খাদ্য-বস্তুৰ মূল্য বৃদ্ধি হ'ল। দালালবোৰে খেতিয়কক প্ৰৱঞ্চনা কৰি কম মূল্যত শস্য কিনি নি অধিক মূল্যৰ আশাত মজুত কৰি ৰখা হ'ল। স্বাধীনতাৰ আগত আৰু পাছতো অলেখ বহিৰাগত আহি অসমৰ মাটি দখল কৰি লৈছে। আনকি বজাৰো দখল কৰি পেলাল। আনহাতে মানুহৰ জন্মহাৰ বহুগুণে বৃদ্ধি পোৱাত এঘৰে দহঘৰ হ'বলৈ ধৰিলে, এটা পৰিয়ালৰ পৰ্যাপ্ত খেতি মাটি দহটা পৰিয়ালৰ বাবে নিচেই তাকৰ হৈ পৰিল। জনসংখ্যা বাঢ়িল, কিন্তু পৃথিৱীখন সেই অনুপাতে বহল হৈ নাযায়। ফলত উৎপাদন একেই থাকিল। তদুপৰি স্বাধীনতাৰ পাছৰ পৰা প্ৰাকৃতিক দুৰ্যোগে অসমক জুৰুলা কৰিছে। মৌচুমীৰ অনিয়মীয়তাৰ কাৰণে কেতিয়াবা প্ৰবল ভয়াবহ প্লাৱনৰ সৃষ্টি কৰি শস্য ধ্বংস কৰিছে। কেতিয়াবা খৰাং বতৰৰ সৃষ্টি হৈ পথাৰৰ শস্য পথাৰতে পুৰি নিছে। ১৯৫০ চনৰ পাছৰে পৰা প্ৰতি বছৰে বানপানী হৈ খেতিয়কসকলক জুৰুলা কৰি পেলাইছে। উপায়ন্তৰ হৈ ল'ৰা-ছোৱালী, তিৰোতাৰ কাতৰ কাকুতিত মাটি-ভেটি বিক্ৰী কৰি হ'লেও এমুঠি ভাতৰ যোগাৰ কৰি দুদিন চলিছে, তৃতীয়দিনা ভিক্ষাৰ জোলোঙা লৈ ঘৰে ঘৰে ভিক্ষা মাগিছে, কোনোবাই সহানুভূতি দেখুৱাই এমুঠি দিছে, কোনোবাই বিদ্ৰূপ কৰি, গালি দি খেদি দিছে। অতীতৰ সেই হাঁহি-ধেমালিৰ হাট আৰু আজি চকুলোৰে বাট নেদেখা অসমীয়া সমাজ। যুগৰ কি পৰিহাস!

কথা হৈছে, এই গতিৰে অসমীয়া জাতি হিচাপে জীয়াই থকা সম্ভৱ নহ'ব। জাতি হিচাপে জীয়াই থাকিবৰ্লৈ তাৰ প্ৰতিকাৰৰ ব্যৱস্থা কৰিব লাগিব। প্ৰতিকাৰ মানে খাদ্য সংকট দূৰীকৰণ। একপক্ষীয় ব্যৱস্থাই খাদ্য সংকট দূৰ কৰিব নোৱাৰে। চৰকাৰ আৰু ৰাইজ দুয়োপক্ষৰ যুটীয়া প্ৰচেষ্টাতহে ই সম্ভৱ হ'ব। চৰকাৰ তীক্ষ্ণ দৃষ্টি সম্পন্ন আৰু কঠোৰ হ'ব লাগিব। প্ৰথম কথা— অসমলৈ ভগনীয়াৰ, বিদেশী প্ৰব্ৰজনৰ সোঁত সম্পূৰ্ণ বন্ধ কৰি ভূমিহীন কৃষকৰ মাজত বৰ্তমান যিকন ৰাহি মাটি আছে, তাক সুস্থ আৰু দৃঢ় নীতিৰে ভগাই দিব লাগিব। বেদখলকাৰী বিদেশীসকলক সমূলঞ্চে উচ্ছেদ কৰি, দেশৰ পৰা বহিষ্কাৰ কৰি সেইবোৰ মাটি প্ৰকৃত কৃষকৰ মাজত বিতৰণ কৰি দিব লাগিব।

দ্বিতীয়তে, অসমৰ নদ-নদীবোৰ নিয়ন্ত্ৰণৰ সু-ব্যৱস্থা কৰিব লাগিব। সাধাৰণ একোটা বালিৰ বান্ধ দি নদী নিয়ন্ত্ৰণ কৰাৰ আশা মিছা। নৈতিকতা আৰু জাতীয় ভাবাপন্নতাহীন ঠিকাদাৰে অধিক লাভ,

অধিক কামৰ আশাত বালিৰ বান্ধ দিবই। চৰকাৰে তীক্ষ্ণ দৃষ্টিৰে এইবোৰ নিৰীক্ষণ কৰি অসৎবোৰক কঠোৰ শাস্তি দি হ'লেও নদীৰ পাৰত প্ৰয়োজন মতে বান্ধ দিব লাগিব। অত্যাচাৰী নদীবোৰত ভেটা দি বিজুলী শক্তি উৎপাদনৰ ব্যৱস্থা কৰক। প্ৰয়োজন মতে অতিৰিক্ত পানী সংৰক্ষণৰ বাবে জলাধাৰ নিৰ্মাণৰ আঁচনি গ্ৰহণ কৰক। সেই জলাধাৰৰ পৰা খৰাং বতৰত খেতি-পথাৰত পানী যোগানৰ ব্যৱস্থা কৰক। জলধাৰবোৰ মীন মহললৈকে ৰূপান্তৰিত কৰক।

তৃতীয়তে, খাদ্য-শস্য সংগ্ৰহ আৰু মজুতৰ চৰকাৰী ব্যৱস্থা উন্নত হোৱা একান্ত বাঞ্ছনীয়। মজুত ব্যৱস্থা অতি নিম্নস্তৰৰ হোৱা বাবে প্ৰতি বছৰে গুদামবোৰত হাজাৰ হাজাৰ কুইন্টল খাদ্য শস্য নষ্ট হৈ যাওঁতে বিক্ৰীমূল্য যথেষ্ট বৃদ্ধি কৰিবলগা হয়। তাৰে সুবিধা ব্যৱসায়ীসকলে লৈ মূল্য বৃদ্ধিত অৰিহণা যোগায়।

পঞ্চমতে, চৰকাৰী কৃষি বিভাগটো কাৰ্যালয় আৰু আমোলামুখী নকৰি কৃষকমুখী, উৎপাদনমুখী কৰাৰ নিতান্ত প্ৰয়োজন। কৃষি বিষয়াসকলক পথাৰলৈ নিয়াৰ ব্যৱস্থা ল'ব লাগে। উপদেশেৰে পেট নভৰে, পেট ভৰে পথাৰ চহাই শস্য বপন আৰু ৰোপন কৰিলেহে।

ষষ্ঠতে, চৰকাৰে পৰ্যাপ্ত পৰিমাণে সাৰ, কঠীয়া, সঁজুলি, যন্ত্ৰপাতি যোগানৰ ব্যৱস্থা কৰিব লাগে। সেইবোৰ কম মূল্যত বিতৰণৰ ব্যৱস্থা হ'ব লাগে।

**কৃষকৰ নতুন দৃষ্টিভংগীৰ আৱশ্যকতা ঃ**

কৃষকসকলৰো প্ৰচেষ্টা আৰু দায়িত্ব পালনৰো আৱশ্যকতা আছে। প্ৰথম কথা কৌটিকলীয়া এডৰা মাটিত বছৰেকত এটা খেতিৰ নীতি পৰিহাৰ কৰি এডৰা মাটিতে কেইবাটাও খেতি আৰু অধিক শস্য উৎপাদনৰ নীতি গ্ৰহণ কৰা অত্যন্ত প্ৰয়োজন হৈছে। তাৰ কাৰণে উন্নত বীজ আৰু উন্নত সাৰ ব্যৱহাৰৰ প্ৰতি গুৰুত্ব আৰোপ কৰা প্ৰয়োজন।

দ্বিতীয়তে, পানীৰ বাবে খৰাং বতৰত মৌচুমীলৈ আশাৰে বাট চাই নাথাকি, ভেকুলী বিয়া নাপাতি, চৰকাৰী পানী যোগান ব্যৱস্থাৰ সাহায্য গ্ৰহণ কৰিব লাগে।

তৃতীয়তে, আৱশ্যকীয় সা-সঁজুলিৰ ক্ষেত্ৰত চৰকাৰ বা বেংকৰ সাহায্য লৈ হ'লেও অধিক শস্য উৎপাদনত গুৰুত্ব আৰোপ কৰিব লাগে।

চতুৰ্থতে, সমবায় ভিত্তিতো খেতি কৰাৰ ব্যৱস্থা কৰিব পাৰি। এই ভিত্তিত মাটিহীন বা গৰুহীন লোকেও খেতি কৰাত সুবিধা হয়।

পঞ্চমতে, উৎপাদিত শস্যবোৰ চোৰাং বেপাৰী, মজুতকাৰী দালালবোৰক বিক্ৰী নকৰি সমবায় ব্যৱসায় অনুষ্ঠান বিলাকক বিক্ৰী কৰিলে উপযুক্ত মূল্য লাভ কৰিব। সমবায় অনুষ্ঠানত জমা থৈ মূল্য বা লাভাংশ দুয়োটাকে পাব পাৰি।

**মন্তব্য ঃ**

এই সকলোবোৰৰে ওপৰত গুৰুত্বপূৰ্ণ সমস্যা হৈছে বৰ্দ্ধিত জনসংখ্যা। এইটো অকল কৃষকৰে নহয়, অসমৰে নহয়, সমগ্ৰ ভাৰতৰ জ্বলন্ত সমস্যা। প্ৰাকস্বাধীনতা কালত অবিভক্ত ভাৰতৰহে জনসংখ্যা আছিল ৪০ কোটি। কিন্তু এতিয়া পাকিস্তান আৰু বাংলাদেশ পৃথক হৈ যোৱা সত্ত্বেও যোৱা ৩০ বছৰৰ ভিতৰত অকল ভাৰতৰে জনসংখ্যা হৈছে ১৩০ কোটিৰো অধিক। ই গৌৰৱৰ কথা নহয়। বৰঞ্চ অতিশয় চিন্তাৰ বিষয়। জনসংখ্যা বৃদ্ধি পায়, কিন্তু মাটি বৃদ্ধি নহয়। সেইবাবে জনসংখ্যা যাতে অধিক বৃদ্ধি নাপায় তাৰ বাবে নিয়ন্ত্ৰণ ব্যৱস্থা গ্ৰহণ কৰাটো বিশেষভাৱে গুৰুত্বপূৰ্ণ কথা। সকলোবিলাক ব্যৱস্থা লোৱাৰ উপৰি জনসংখ্যা বৃদ্ধিৰ এই দুৰ্বাৰ গতিক ৰোধ কৰিব পাৰিলেহে খাদ্য সমস্যা সমাধান কৰিব পৰা যায়। সেয়ে নহ'লে চৰকাৰৰো সেউজ বিপ্লৱ, অধিক শস্য উৎপাদনৰ আঁচনি ফাইলৰ সাক্ষী হ'ব আৰু জনগণেও চিৰদিন খাদ্য সংকটত ভুগি জীৱন হতাশ কৰি তুলিব।





# মাঘৰ পৰা বহাগলৈ ঃ মুকলি বতৰে মাতে

—বৰ্ণালী শইকীয়া
স্নাতক পঞ্চম ষাণ্মাসিক

পুহৰ উহ-হ জাৰৰ কোব নকৈ কৰৰ সকাম নাই। গছ-লতা, ফুল-পাতে পুহ কাইৰ কঠুৱা মাত ভাল নাপায়। প্ৰকৃতিৰ বুকুৰ সকলো সামগ্ৰী যেন মুজুৰা পৰিহে থাকে। মানুহৰ মনো অনুৰূপ। বাহিৰৰ সেমেকা শীতল বা-বতাহে মনৰ মাজতো সেৰেঙা সোঁত বোৱাই দিয়ে। কিন্তু পুহৰ প্ৰকোপ যাউতি-যুগীয়া নহয়। কবিয়ে কোৱাৰ দৰে 'শীত আহিলে বসন্ত জানো পিছপৰি থাকিব পাৰে।" এই সত্যবাণীয়ে পুহৰ কানি- কঁঠাৰ মাজতো মাঘৰ উম লগাই দিয়ে। মাঘ আহিলে পুহৰ বল-বিক্ৰম লেৰেলি শৰাইঘাটৰ মোগল বাহিনী যেন হৈ পৰে।

মাঘ, ফাগুণ, চ'ত আৰু বহাগৰো আগ-ভাগ আমাৰ কাৰণে মুকলি বতৰ। মুকলি বতৰে মানুহৰ মনতো উদং উদং ভাৱ যোগায়। উদঙীয়া গৰু ম'হবোৰৰ গাত মুকলি বতাহ বাৰুকৈয়ে লাগে। মানুহ জ্ঞানী প্ৰাণী, সেয়েহে মানুহে এই উদং উদং মুকলি আৰু বনৰীয়া সুৰটোক সংযমৰ বান্ধোনেৰে বান্ধিবলৈ দিয়ে।

মাঘৰ পৰা বহাগ মাহলৈকে এই মুকলি বতৰছোৱা অসমীয়া গএগ বাইজে উৎসৱ, মিতিৰ ৰক্ষা, মিতিৰ পতা আৰু মাঙ্গলিক অনুষ্ঠানৰ কাৰণে প্ৰশস্ত বুলি ভাৱে। একালে মাঘ বিহু বা ভোগালী বিহু, আনফালে বহাগ বিহু বা ৰঙালী বিহু আৰু ভথেলি উৎসৱ ইয়াৰ মাজতে দেউল (ফাকুৱা), সৰি (সুৱৰি), শিৱৰাত্ৰী আদি ভালেমান উৎসৱ অসমৰ বিভিন্ন অঞ্চলত পতা হয়। ইয়াৰোপৰি বিয়া উৎসৱ সকলো ৰাইজৰে উমৈহতীয়া সম্পত্তি। কৃষি কৰ্ম সামৰণি পৰাৰ লগে লগে ভঁৰালৰ ধান, ধোঁৱা চাং বা আটলৰ মিঠি, চাঙৰ মাহ-সৰিয়হ, খৰৰ কৰি ন-ছোৱালী ঘৰলৈ অনা নাইবা ন-জোঁৱাইক আদৰা আমাৰ পুৰণি কলীয়া নিয়ম। তদুপৰি এই কালছোৱাত ঘৰ-দুৱাৰ মেৰামতি কৰা, নকৈ ঘৰ সজা, ঘৰলোৱা আদি কামো প্ৰায়ে সম্পন্ন হয়। বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী পূজা, পুণ্য তীৰ্থ আৰু পবিত্ৰ নদীত স্নান-দান, শান্তি-স্বস্ত্যায়ন আদি আৰ্য্য হিন্দুসকলৰ মাঘমহীয়া কৃত্যবোৰৰ ধৰ্ম শাস্ত্ৰ অনুকূল বিধি আছে।

পুহৰ পিছত মাঘ। বছৰৰ বাৰ মাহৰ মূৰত মাঘৰো হয় এবাৰ আগমন। মাঘ মাহ পুণ্য তিথিৰে ভৰপূৰ। মাঘ মাহত ৰাতিপুৱা স্নান কৰাটো শাস্ত্ৰীয় সদাচাৰৰ ভিতৰত পৰে। অসমীয়া হিন্দু সমাজৰ কাৰণে মাঘ মাহ যে সঁচাকৈয়ে 'ধৰমৰে মাহ' আৰু ভালেমান 'ধৰমৰ' তিথিৰে ভৰপুৰ, সেই কথা পঞ্জিকা এখনৰ পাত লুটিয়ালে ধৰা পৰে। মাঘ মাহৰ সূচনা কৰে মাঘ বিহু বা ভোগালী বিহুৱে। ভোগালী বিহু ঘাইকৈ এটি কৃষি উৎসৱ। আমাৰ ৰঙালী, কঙালী আৰু ভোগালী তিনিওটা বিহুৱে কৃষি কৰ্মৰ আদি, মধ্য আৰু অন্তস্তৰৰ পৰিচয় দিয়ে। ভোগালী বিহুৱে বছৰৰ কৃষি কৰমৰ সামৰণকে সূচায়, বিশেষকৈ পথাৰৰ লখিমী ভৰালত চপোৱা হয়হি বুলিয়ে। এই ভোগালী বিহুৰ ভোগৰ সামগ্ৰীৰ লগতে সাঙোৰা আছে নানাবিধ শাস্ত্ৰীয় আৰু লৌকিক আচাৰ। যেনে মেজি, মঠ, ভেলাঘৰত লগভাত খোৱা, গীত মাত আৰু নৃত্য-বাদ্য আদিৰ চৰ্চা আদি।

ফাগুন-চ'ত মাহত হোৱা ফাকুৱা বা হোলি উৎসৱতো ধৰ্মৰ ৰহনতকৈ লৌকিক আকৰ্ষণ বেছি। অসমৰ প্ৰায়বোৰ সত্ৰ আৰু বৈষ্ণৱ সংঘবোৰতো শ্ৰীকৃষ্ণ জড়িত এই ফাকুৱা বা দৌল উৎসৱ পালন কৰা হয়। বৰপেটাৰ দেউল অসমত জাকত জিলিকা উৎসৱ। এই ফাকুৱা বা হোলি উৎসৱৰ লগত সঙ্গতি ৰাখি নিশা ঢুলীয়া-খুলীয়া, ওজাপালি, নাগাৰা নাম, যাত্ৰাভিনয় আদি অনুষ্ঠিত হয়।

ভৰতীয় আৰ্য্য হিন্দু বছৰৰ গণনা অনুসৰি চ'ত বা চৈত্ৰ মাহটি বছৰৰ শেষ মাহ। সংস্কৃত ভাষাত চৈত্ৰ মাহক 'মধুমাস বোলে। এই মধুমাসত উৎপন্ন হোৱা অশোক ফুলৰ কলি অশোকাষ্টমীৰ দিনা পানীৰে সৈতে খালে বছৰ ধৰি শোক-তাপৰ পৰা মুক্ত হয় বুলি হিন্দু ধৰ্মৰ এটি ধাৰণা চলি আহিছে। অশোকাষ্টমীৰ দিনা ব্ৰহ্মপুত্ৰ নদীৰ জল পবিত্ৰ হয় বুলিও বিশ্বাস আছে। অসমৰ ব্ৰহ্মপুত্ৰৰ পাৰৰ কেইবাখনো তীৰ্থস্থানত অশোকাষ্টমীৰ স্নান আৰু মেলা হয়। এই মাহটিত বাসন্তী পূজা, অন্ন-পূৰ্ণা দেৱীৰ আৰাধনা, ৰাম নৱমী, মদন ত্ৰয়োদশী আৰু মদনোৎসৱ, চড়ক পূজা, আদি নানাবিধ আচাৰ অনুষ্ঠান স্নান-দান, মেলা-উৎসৱৰ আয়োজন কৰা হয়। চ'ত মাহক কেন্দ্ৰ কৰি অসমৰ গঞা সমাজত নানাবিধ গীত-পদ আৰু যোজনা পটন্তৰৰ সৃষ্টি হৈছে। বিহু গীতত— "চ'ততে চকৰী, বহাগত বগৰী, জেঠতে আসনা ধান। চ'তে গৈয়ে গৈয়ে, বহাগে পালেহি ফুলিলে ভেবেলি লতা, গাভৰু ছোৱালী নাচে জুমে-জুমে, চ'তৰ বিহু লাগিছে গাত" আদি মনোগ্ৰাহী বৰ্ণনা অছে। চ'ত মাহত বিৰহৰ বতাহ বলে যেন বোধ হয়। নহ'লেনো চ'ততে চকোৱাই কান্দে উজাগৰে ৰাতি, চ'ত বহাগ মাহত কুলি-কেতেকীৰ ৰাৱে শৰীৰ অথীৰ কৰি নুতোলিলেহেতেন, চেনাই বহুনাহঁতৰ অন্তৰত বিৰহৰ ৰাই-জাই উঠে— "চ'ততে কান্দিলে চকোৱা চৰাইটি, বহাগত কান্দিলে বেং।" যুগে যুগে সেয়েহে চ'ত মাহৰ বৰ্ণনা জন-জীৱনত নানাভাৱে হৈ আছে।

চ'তে গৈ বহাগ পালেই প্ৰকৃতিৰ যি ফুল-পাত আৰু গঁজালিৰে অপৰূপ ৰূপৰেখা ফুটি ওলায়, মানুহৰ হিয়া মনতো বসন্তৰ মধুৰ বা-বতাহে শিহৰণ তোলে। বহাগ বুলিলেই ৰঙালী বিহু বিশেষকৈ অসমীয়া মানুহৰ মনত মূৰ্ত হৈ উঠে। বহাগ নাথাকিলে বিহুৰ কল্পনা, বৰদৈচিলাৰ ছবি অংকন কৰা অসম্ভৱ। বহাগ বিহু বা ৰঙালী বিহুৰ সাদিনীয়া উলহ-মালহ বছৰৰ ভিতৰতে গীত-বাদ্য-নৃত্য, পান-ভোজন, বিহুৱান আৰু ৰং-ৰগৰৰ ফালৰ পৰা চমক লগা। এই দৃষ্টিৰে চালে ৰঙালী বিহুৰ ৰং-ধেমালী, টকা-পেঁপা, ঢোল, বিহু গীত, হুঁচৰি আৰু নৃত্যৰ ক'লা অসমৰ জাতীয় জীৱনৰ বাপতি সাহোন।

তৰা-বছা সপোন ৰচিব পৰা বসন্তৰ আগমনত ডেকা-গাভৰুৰ মাজত ৰং ৰগৰৰ মেলা আৰম্ভ হয়। আমৰ মল, কুলিৰ মাত, ফাকুৰ মদাৰ ৰঙা ৰং মুকলি বতৰৰ বৰঙণি। মুকলি বতৰে নৱ-নাৰীক মুকলি পথাৰলৈ বিভিয়াই মাতে। পুহৰ শেষতেই যি ৰং-ৰগৰৰ সূচনা হয়, বহাগৰ ৰঙালী বিহুৰ বতৰে তাৰ পূৰ্ণ ৰূপ আঁকি দিয়ে। প্ৰকৃতিৰ প্ৰাণভৰা বিপুল সমাৰোহে মৰমীৰ মনত আনাৱিল আনন্দ জগাই দিয়ে, উপভোগৰ আশা-আকাংক্ষা জগাই তোলে। মানৱ মনে প্ৰকৃতিৰ লগত সমানে খোজ দিব নোৱাৰিলে এই বিপুল সমাৰোহ সম্পদৰ যে অপচয় হ'ব। মুকলি বা উদং বতৰত সেয়েহে উন্মুক্ত হ'বৰ কাৰণে যুগে যুগে চলি অহা মানুহৰ আদিম হেঁপাহ...।

❖❖❖





# বন্ধু, বন্ধুত্ব আৰু প্ৰেম

—মঃ ছাদেকুল ইছলাম
স্নাতক প্ৰথম ষাণ্মাসিক

বন্ধুবিহীন জীৱন যেন এক শুকান মৰুভূমি। বন্ধুয়ে বন্ধুৰ বাবে হাঁহিমুখে আত্মত্যাগ কৰাৰ কাহিনী আমাৰ বাবে নতুন নহয়। আব্ৰাহাম লিংকনৰ ভাষাত "বন্ধুৰ সংগ পোৱাটোৱেই জীৱনৰ সকলোতকৈ শ্ৰেষ্ঠ প্ৰাপ্য"। সচাকৈয়ে এক স্বৰ্গীয় অনুভূতি। ইয়াৰ অনুভৱে পলকতে হিয়া-মন জুৰ পেলায়। প্ৰকৃত বন্ধুত্বই প্ৰদান কৰে জীৱন যাত্ৰাত এক গভীৰ আনন্দ। বৰ্তমানৰ আধুনিকতাবাদী চিন্তাধাৰাই বন্ধুত্বৰ এনাজৰী নিশকতীয়া কৰা বুলি বহুতো চিন্তাবিদে সমালোচনা কৰে। কিন্তু এটা কথা সত্য যে শ্ৰেষ্ঠতাৰ স্থান সদায় এভাৱেষ্টত। ইয়াক কোনেও নিম্নস্তৰত দলিয়াই পেলাব নোৱাৰে। ম'বাইল, বাইক তথা বিলাসী গাড়ীয়ে মাত্ৰ ৩০ শতাংশ যুৱ প্ৰজন্মক প্ৰকৃত ৰাস্তাৰ পৰা বিচলিত কৰাৰ প্ৰয়াস কৰিছে। কিন্তু সাধাৰণ আৰু মধ্যবিত্ত শ্ৰেণীৰ ৭০ শতাংশ অৰ্থাৎ গৰিষ্ঠ সংখ্যক যুৱ প্ৰজন্মই বন্ধুত্ব আৰু প্ৰেমক এতিয়াও সন্মানৰ দৃষ্টিৰে চায়। সংবাদ মাধ্যমো যুৱ প্ৰজন্মৰ বন্ধুত্ব আৰু প্ৰেমৰ ইতিবাচক দৃষ্টি নিৰক্ষণ কৰিলে ইয়াৰ বৃহৎ সহায়ক হ'ব। এদল ডেকা-গাভৰুৰ মিল্লা-প্ৰীতিক প্ৰেমৰ দৃষ্টিৰে নুজুখি তেওঁলোকৰ আভ্যন্তৰীণ সম্পৰ্কৰ সভেদ লোৱা নিত্যন্তই জৰুৰী। তেতিয়া সামাজিক পবিত্ৰতা, ভাতৃত্ববোধ আৰু মানৱতাবোধ ৰক্ষা পৰিব।

দুজন প্ৰাপ্ত বয়স্ক যুৱক-যুৱতীৰ মধুৰ বন্ধুত্বপূৰ্ণ সম্পৰ্ক কেতিয়াবা প্ৰেমলৈ ৰূপান্তৰিত হয় সঁচা, কিন্তু প্ৰতিজনৰ ক্ষেত্ৰত সেইয়া সত্য নহবওঁ পাৰে। যিহেতু যুৱক আৰু যুৱতী দুয়োটা বিপৰীত লিংগৰ, সেয়ে উভয়ৰ বন্ধুত্বৰ বান্ধনো কটকটীয়া হোৱাটো স্বাভাৱিক। বৰ্তমান সমাজৰ এচাম পৰশ্ৰীকাতৰ ব্যক্তিয়ে এহাল ডেকা-গাভৰুৰ পবিত্ৰ বন্ধুত্বক প্ৰেম অথবা কোনো গোপন সম্পৰ্ক বুলি সন্দেহ কৰে। যাৰ ফলত বহু সমস্যা আহি পৰে। আধুনিকতাবাদী চিন্তাধাৰাৰে আবৃত এহাল ডেকা-গাভৰুৰ বন্ধুত্বৰ সমাৱেশত প্ৰেম লুকাই নথকা বুলি মই একেবাৰে নুই নকৰোঁ। কিন্তু এই ডেকা-গাভৰুহালে বন্ধুত্বৰ পবিত্ৰতা ৰক্ষা কৰি চলিলে সমাজ তথা বিজ্ঞজনে তেওঁলোকক সন্মানৰ দৃষ্টিৰে চাব। প্ৰেম এক ঐশ্বৰিক দান। ই নিজে নিজে অন্তৰত গঢ় লয়, গঢ় দিওঁ বুলি গঢ়িব নোৱাৰি। প্ৰেমৰ ইংৰাজী প্ৰতিশব্দ হ'ল— 'Love'। এজন বিশেষজ্ঞই Loveৰ ভাঙনি এইদৰে দিয়ে— L=Life of sorrow, O=Ocean of tears, V = Valley of death, E = End of life.

"দুখঃময় জীৱনৰ চুকপানীবোৰ মচি মচি মহাসাগৰৰ পাৰে পাৰে খোজকাঢ়ি গৈ গৈ যেতিয়া মৃত্যুৰ উপত্যকাত উপস্থিত হয় তেতিয়াই প্ৰেমে সফলতা পায়।" ইয়াৰ পৰা বুজা যায় যে প্ৰেম কৰাটো একেবাৰেই সহজ কিন্তু ইয়াক ওৰেটো জীৱন ধৰি ৰখাটোহে অতিকৈ কষ্টকৰ।

❖❖❖

# এগৰাকী মহিয়সী নাৰী মাদাৰ টেৰেছা

—সুখ শাড়ী মণ্ডল
স্নাতক পঞ্চম ষাণ্মাসিক

মাদাৰ টেৰেছা নামটো লোৱাৰ লগে লগেই চকুৰ আগত ভাঁহি উঠে এগৰাকী মাতৃৰ স্নেহময়ী ৰূপ। ক'ব নোৱাৰাকৈয়ে আপোনা-আপুনি মূৰটো শ্ৰদ্ধাত দোঁ খাই যায়। কোনোবা দূৰণি দেশৰ এগ্নেছ নামৰ ছোৱালীজনী হৈ পৰিছিল সমগ্ৰ পৃথিৱীৰ অনাথ, দুখীয়া, পিতৃ-মাতৃৰ মৰমৰ পৰা বঞ্চিত হোৱা লাখ-লাখ শিশুৰ বাবে মাতৃস্বৰূপ। মৃত্যুৰ আগমুহূৰ্তলৈকে এই গৰাকী মহিয়সী মাতৃৰ জীৱন যাত্ৰাত বিৰামৰ স্থান নাছিল। য'তেই দুখীয়াৰ আৰ্তনাদ শুনিছে, অনাথ শিশুৰ কান্দোন শুনিছে, তাতেই গৈ উপস্থিত হৈছিল গৈ মাদাৰ টেৰেছা। 'মানৱ সেৱাই ঈশ্বৰ সেৱা" —এই কথাষাৰ কুৰি শতিকাৰ আটাইতকৈ শুদ্ধ ৰূপত অন্তৰৰ গভীৰতাৰ পৰা উপলব্ধি কৰা মানুহগৰাকীয়েই আছিল সকলোৰে অতি শ্ৰদ্ধাৰ মাদাৰ টেৰেছা।

১৯১০ চনৰ আগষ্ট মাহৰ ২৭ তাৰিখ। ইউৰোপ মহাদেশৰ এলবেনীয়া নামৰ দেশখনৰ স্কপিয়ে চহৰত মাদাৰ টেৰেছাৰ জন্ম হয়। মাদাৰ টেৰেছা বা মাদাৰ টেৰেজা, নামটো অৱশ্যে পাছতহে পোৱা। সৰুতে মাক-দেউতাকে নাম থৈছিল 'এগনেছ'। এগনেছক তেওঁৰ সপোনৰ ভাৰতবৰ্ষই সদায়েই আমনি কৰি থাকিবলৈ ধৰিলে। ১৯৩১ চনৰ ২০ মে'ত এগনছেৰ সপোন বাস্তৱত ৰূপায়িত হ'ল। এগনেছৰ নতুন নাম হ'ল 'মেৰি টেৰেছা'। ১৮ বছৰ বয়সত সন্ন্যাসিনীৰ জীৱন আঁকোৱালি লোৱা টেৰেছাই জীৱনজোৰা সাধনাৰে একক ভাৱে নিজে অনুষ্ঠান খুলি দিন-দুখীয়াসকলৰ বাবে জীৱনৰ শেষ দিনলৈকে সেৱা আগবঢ়াই গৈছিল। সেই মহিয়সীৰ নামেৰেই ২১ বছৰীয়া এগনেছ হ'ল 'মেৰী টেৰেছা'। শিক্ষকতাৰ জীৱন আৰম্ভ কৰি মেৰি টেৰেছা এদিন কলিকতা পালেহি। ভূগোল বিষয়ৰ শিক্ষয়িত্ৰী হিচাপে নতুন বিদ্যালয়ত যোগদান কৰা টেৰেছাৰ মনত পুনৰ এক নতুন চিন্তাই দেখা দিলে। শিক্ষকতাৰ ১৭ বছৰীয়া জীৱন-যাত্ৰাত মেৰি টেৰেছাই অনুভৱ কৰিলে ক'ৰবাত যেন কিবা এটা বাকী থাকি গৈছে। ত্যাগৰ পথ সদায়েই কাঁইটীয়া। ১৯৬২ চনত ভাৰত চৰকাৰে মাদাৰ টেৰেছাক সন্মানিত কৰিলে পদ্মশ্ৰী বঁটাৰে। একে বছৰেই লাভ কৰিলে আন্তঃৰাষ্ট্ৰীয় সন্মানজনক 'ম্যাগচেচে বঁটা'। ১৯৭১ চনত মহামান্য পোপে আগবঢ়োৱা শান্তি পুৰস্কাৰ হিচাপে পালে ২১ হাজাৰ পাউণ্ড ডলাৰ। আমেৰিকাই প্ৰদান কৰিলে 'গুড চামাৰিটান বঁটা'। আমেৰিকাই পুনৰ দিলে 'জন এফ্ কেনেডী বঁটা'। ওৱাছিংটনৰ পৰা পালে 'ডক্টৰেট অৱ হিউমেন লেটাৰস্'। ১৯৭৯ চনত মাদাৰ টেৰেছালৈ আগবঢ়োৱা হ'ল শান্তিৰ নবেল বঁটা। ১৯৮০ চনত ভাৰত চৰকাৰে প্ৰদান কৰিলে 'ভাৰত ৰত্ন'। ১৯৯৭ চনৰ ৫ চেপ্তেম্বৰৰ শুক্ৰবাৰে নিশা প্ৰায় ৯ বাজি ৩০ মিনিটত বিশ্ববাসীক অনাথ কৰি মাদাৰ টেৰেছা শুই পৰিল চিৰদিনৰ বাবে। মাদাৰ টেৰেছা আজি আমাৰ মাজত নাই। কিন্তু তেওঁৰ বিৰল মানৱ সেৱাৰ ধৰ্ম আজিও ইয়াত মহতী আদৰ্শেৰে মানুহৰ বুকুত উজ্বলি আছে।

❖❖❖



